# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০৩/২০২২**

<u>চাহ বাগিচা এলেকাত স্থাপন কৰা আদৰ্শ বিদ্যালয়ৰ সন্দৰ্ভত উপায়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ’ কনফাৰেন্স</u>

## নতুন আদৰ্শ বিদ্যালয়ৰ বাবে চাহ বাগিচাৰ পৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৮ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এক ভিডিঅ’ কনফাৰেন্সযোগে ৰাজ্যৰ ১৭ খন জিলাৰ উপায়ুক্তসকলৰ সৈতে বাৰ্তালাপ কৰি চাহ বাগিচা এলেকাত অসম চৰকাৰে নতুনকৈ স্থাপন কৰা ৯৭ খন আদৰ্শ বিদ্যালয়ৰ শিক্ষাবৰ্ষ আনুষ্ঠানিকভাৱে আৰম্ভ কৰাৰ পূৰ্বে ইয়াৰ কাম-কাজৰ অগ্ৰগতি বুজ লয়।

চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থীসকলক উন্নত শৈক্ষিক সুযোগ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক বিদ্যালয়সমূহত কম্পিউটাৰৰ লগতে শ্ৰেণীকোঠাৰ বাবে প্ৰয়োজনীয় আচবাবকে ধৰি পঠন-শিক্ষণ সহায়ক সামগ্ৰীৰ উপলব্ধতা নিশ্চিত কৰাৰ বাবেও তাৎক্ষণিক পদক্ষেপ ল’বলৈ নিৰ্দেশ দিয়ে।

নতুন শিক্ষানুষ্ঠানসমূহ শুভাৰম্ভ কৰাৰ বাবে উপায়ুক্ত আৰু বিদ্যালয় পৰিদৰ্শকসকলে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বুজ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই যিবোৰ চাহবাগিচাতএই শিক্ষানুষ্ঠানসমূহ স্থাপন কৰা হৈছে সেই চাহ বাগিচাসমূহৰ পৰাই চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিয়োগ কৰিবলৈ নিৰ্দেশ দিয়ে। এনেদৰে নিযুক্তি প্ৰাপ্ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলক ‘ফিক্সড্ পে’ প্ৰদান কৰা হ’ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। উপায়ুক্তসকলক ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি আৰু অন্যান্য ব্যৱস্থাৰ তদাৰক কৰাৰ বাবে নতুনকৈ স্থাপন কৰা বিদ্যালয়সমূহ পৰিদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে মে’ মাহৰ প্ৰথম ভাগতে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিবলগীয়া এই বিদ্যালয়সমূহত সকলো ধৰণৰ ব্যৱস্থাৰাজি সময় নিৰ্ধাৰিতভাৱে সম্পূৰ্ণ কৰিবলৈও উপায়ুক্তসকলক যথোচিত ব্যৱস্থা ল’বলৈ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ শিক্ষা বিভাগে এই বিদ্যালয়সমূহৰ পৰিচালনা আৰু উন্নয়ন সমিতি (এছ এম ডি চি) গঠনৰ বাবে শীঘ্ৰে নিৰ্দেশনা জাৰি কৰিব আৰু এই নিৰ্দেশনা অনুসৰি উপায়ুক্তসকলে বিদ্যালয় ব্যৱস্থাপনাৰ বাবে বিদ্যালয় পৰিচালনা সমিতি গঠন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে উপায়ুক্ত আৰু বিদ্যালয় পৰিদৰ্শকসকলক নতুনকৈ স্থাপন কৰা এই আদৰ্শ বিদ্যালয়বোৰত পৰিচালনা সমিতিৰ নামত বেংক একাউণ্ট সাত দিনৰ ভিতৰত খোলাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ লগতে সকলো বিদ্যালয়তে তাৎক্ষণিকভাৱে বিদ্যুৎ সংযোগ নিশ্চিত কৰিবলৈও কয়।

ভিডিঅ’ কনফাৰেন্সৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে চাহ বাগিচা এলেকাত আন ১০০ খন আদৰ্শ বিদ্যালয় স্থাপন কৰিব যাতে এখন বিদ্যালয়ে কমেও চাৰিখন চাহ বাগিচাক সামৰি ল’ব পাৰে।

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

উল্লেখ্য যে যোৱা ২ এপ্ৰিলত মুখ্যমন্ত্ৰীয়ে নতুনকৈ স্থাপন কৰা আদৰ্শ বিদ্যালয়ৰ শিক্ষকসকলৰ এক কৰ্মশালাত অংশ লৈ চাহ বাগিচা এলেকাত শৈক্ষিক পৰিৱেশ উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰিছিল আৰু চাহ বাগিচা এলেকাৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত তেওঁলোকক অৰ্থৱহ অৱদান আগবঢ়াবলৈ আহ্বান জনাইছিল।

আজিৰ এই ভিডিঅ' কনফাৰেন্সৰ সময়ত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, সমগ্ৰ শিক্ষা অসমৰ পৰিচালন সঞ্চালিকা ৰৌশনী এ কোৰাটি উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে শোণিতপুৰ, ওদালগুৰি, বিশ্বনাথ, লখিমপুৰ, ধেমাজি, তিনিচুকীয়া, ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ উপায়ুক্তসকলৰ সৈতে এক ভিডিঅ' কনফাৰেন্সযোগে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ আন্তঃৰাজ্যিক সীমা সম্পৰ্কীয় বিষয়ত আলোচনা কৰে।

আন্তঃৰাজ্যিক সীমা সমস্যা পৰ্যালোচনা কৰাৰ পিছত মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক সীমান্ত এলেকাসমূহ পৰিদৰ্শন কৰি দুয়োখন ৰাজ্যৰ মাজত ফলপ্ৰসূ আলোচনাৰ সুবিধাৰ্থে চৰকাৰৰ ওচৰত বিতং প্ৰতিবেদন দাখিল কৰিবলৈও কয়।

এই ভিডিঅ' কনফাৰেন্সৰ সময়ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠী উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**

**৮-০৪-২০২২**